অসম প্ৰদেশ কংগ্ৰেছ কমিটী

বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা

তাৰিখ ঃ ৪ ছেপ্টেম্বৰ, ২০১৬
স্থান ঃ মানৱেন্দ্ৰ শৰ্মা চৌহদ, গুৱাহাটী

অসমৰ বান পৰিস্থিতি

২০১৬ চনৰ এপ্ৰিল মাহৰপৰা আগষ্ট মাহ পৰ্যন্ত অহা তিনিটাকৈ বানে অসমৰ মুঠ ২৯ খন জিলাত চলোৱা ধ্বংসলীলাক লৈ আজি ৪ ছেপ্টেম্বৰ, ২০১৬ তাৰিখে, গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা চৌহদত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ৰিপুন বৰাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰদেশ কংগ্ৰেছৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। যোৱা এপ্ৰিল মাহত অহা প্ৰথমটো বানত যোৰহাট, লখিমপুৰ, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়, কাছাৰ আৰু চৰাইদেউ — এই সাতখন জিলাৰ মুঠ ২০ টা ৰাজহ চক্ৰ, ৩৬৩ খন গাঁও আৰু ১,৩৭,৭০১ জন লোক ক্ষতিগ্ৰস্ত হৈছিল। তদুপৰি এইটো বানতে ডিব্ৰুগড়ত ২ জন, কাছাৰত ৪ জন আৰু চৰাইদেউত ২ জন লোকে প্ৰাণ হেৰুৱাবলগা হৈছিল। সেইদৰেই মে' মাহত অহা দ্বিতীয়টো বানত কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি আৰু নগাঁও— এই চাৰিখন জিলাৰ মুঠ ১২ টা ৰাজহ চক্ৰ, ২২৫ খন গাঁও আৰু ১,৪১,৩২০ জন লোক ক্ষতিগ্ৰস্ত হৈছিল। ইপিনে জুন মাহত অহা তৃতীয়টো প্ৰলয়ংকৰী বানত লখিমপুৰ, ধেমাজি, শোণিতপুৰ, শিৱসাগৰ, নগাঁও, যোৰহাট, গোলাঘাট, মৰিগাঁও, বিশ্বনাথ, বৰপেটা, কোকৰাঝাৰ, বঙাইগাঁও, ধুবুৰী, দক্ষিণ শালমৰা, মাজুলি, ডিব্ৰুগড়, চিৰাং, গোৱালপাৰা, তিনিচুকীয়া, দৰং, নলবাৰী, বাক্‌ছা, ওদালগুৰি, কামৰূপ (মেট্ৰো), কামৰূপ, দক্ষিণ কামৰূপ আৰু কাৰ্বি আংলং— এই ২৭ খন জিলাৰ ১০০ টা ৰাজহ চক্ৰ, ৪০৭২ খন গাঁও আৰু ৩৭,৬৫,১৫৯ জন লোক ক্ষতিগ্ৰস্ত হৈছিল। ১ আগষ্ট, ২০১৬ পৰ্যন্ত এই তৃতীয়টো বানত লখিমপুৰত ৫ জন, ধেমাজিত ১ জন, শিৱসাগৰত ১ জন, যোৰহাটত ১ জন, গোলাঘাটত ২ জন, মৰিগাঁৱত ৫ জন, বৰপেটাত ৬ জন, কোকৰাঝাৰত ১ জন, অবিভক্ত ধুবুৰীত ৭ জন, ডিব্ৰুগড়ত ২ জন, গোৱালপাৰাত ২ জন, তিনিচুকীয়াত ১ জন আৰু দৰঙত ২ জন লোকে প্ৰাণ হেৰুৱাবলগা হৈছিল। অৰ্থাৎ কিছুদিনৰ ভিতৰতে অহা তিনিটাকৈ বানত ৰাজ্যখনৰ মুঠ ৪৪ জন লোকে প্ৰাণ হেৰুৱাইছিল।

পিছে বানপানী আৰু গৰাখহনীয়াই এনে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ পিছতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আশানুৰূপ তৎপৰতা প্ৰদৰ্শন কৰা পৰিলক্ষিত নহ'ল। পৰিস্থিতিৰ তাৎক্ষণিক মোকাবিলা কৰাৰ বাবে প্ৰয়োজন হোৱা পুঁজি মোকলাই দিয়া দূৰৰে কথা, বৰ্তমানৰ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে পূৰ্বৰ ৰাজ্য চৰকাৰৰ দিনত পাবলগীয়া পুঁজিও এই পৰ্যন্ত সম্পূৰ্ণভাৱে আদায় দিয়া নাই। ২০১৪ চনৰ জুন, জুলাই আৰু আগষ্ট মাহত অহা বিধ্বংসী বানৰ সময়ত তদানীন্তন কংগ্ৰেছ নেতৃত্বাধীন ৰাজ্য চৰকাৰে ২,৫৩৪ কোটি টকা বিচাৰিছিল যদিও নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰৰ বিজেপি চৰকাৰে মাত্ৰ ৩৮০ কোটি টকাহে মুকলি কৰি দিছিল। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই একে বছৰৰ নৱেম্বৰ মাহৰ ২৯ তাৰিখে অসম ভ্ৰমণলৈ আহি

অনাদায় হৈ থকা সমুদায় পুঁজি সোনকালেই মুকলি কৰি দিয়াৰ ৰাজহুৱা প্ৰতিশ্ৰুতি দিছিল যদিও সেয়া ফুটুকাৰ ফেনত পৰিণত হৈছিল। ২০১৪ চনত বানে চলোৱা ধ্বংসলীলাৰ বুজ ল'বলৈ কেন্দ্ৰৰপৰা এটা দল অসমলৈ আহিছিল ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহত। ইমানদিন পিছত ক্ষয়ক্ষতিৰ প্ৰকৃত ছবিখন অনুভৱ কৰিব নোৱৰাটোৱেই স্বাভাৱিক। ইয়াৰ পিছত ২০১৫ চনৰ মে' মাহত কেন্দ্ৰৰ বিজেপি চৰকাৰে বানপানীৰ নামত তদানীন্তন ৰাজ্য চৰকাৰক মাত্ৰ ২০৭ কোটি টকা মোকলাই দিছিল; যি পৰিমাণ আছিল এপাচি শাকত এটা জলকীয়াৰ দৰে। এই কাৰ্যই অসমৰ জনসাধাৰণৰ প্ৰতি যে বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কোনো আন্তৰিকতা আৰু দায়িত্ববোধ নাই সেই কথাৰ প্ৰমাণ দিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াই এইবেলি হেলিকপ্টাৰত উঠি মাত্ৰ দুঘণ্টাৰ ভিতৰত অসমৰ বান পৰিস্থিতিৰ বুজ লৈছিল। ইমান কম সময়ৰ ভিতৰত আৰু আকাশ মাৰ্গেৰে অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ বুজ লোৱাতো অসম্ভৱ আৰু এয়া মন্ত্ৰীগৰাকীৰ দায়সৰা আচৰণৰ বাহিৰে আন একো নহয়। ইপিনে সততে অসমৰ কথা কৈ ঘৰিয়ালৰ চকুপানী টোকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়ায়ো অসমৰ বানপীড়িত লোকৰ কাষত থিয় দিবলৈ এখন্তেক আহৰি নাপালে। অথচ দেশৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়া, সদ্যপ্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিং ডাঙৰীয়া, কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধী ডাঙৰীয়ানী আৰু উপ-সভাপতি ৰাহুল গান্ধী ডাঙৰীয়াই কংগ্ৰেছ শাসনত থকাৰ সময়ত বহুবাৰ অসমলৈ আহি বানপীড়িত লোকৰ দুখ-দুৰ্দশাৰ বুজ লৈছিল। মূলতঃ বান আৰু খহনীয়াৰ সমস্যা মোকাবিলা কৰাৰ বাবে গঠন কৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ডক যথোচিত গুৰুত্ব প্ৰদান নকৰাৰ বাবেই বৰ্তমান এই চৰকাৰী অনুষ্ঠানটো বগা হাতীত পৰিণত হৈছে। ব'ৰ্ডৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীৰ পদ দীৰ্ঘদিন ধৰি খালী হৈ পৰি ৰোৱাটো পৰিতাপৰ কথা। ইপিনে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অসমৰ বান পৰিস্থিতি অধ্যয়নৰ বাবে ১৫ দিনৰ ভিতৰত বিশেষজ্ঞৰ দল আহিব বুলি ঘোষণা কৰিছিল যদিও সেই নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সেয়া হৈ নুঠিল। বানপানীৰ চৰজমিন অধ্যয়নৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে ১৫ দিনৰ ভিতৰত কোনো বিশেষজ্ঞৰ দল নাহিল। মুখ্যমন্ত্ৰীগৰাকীৰ এনে মিথ্যাচাৰ যে অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী সেই কথাত সন্দেহ নাই। পৰৱৰ্তী সময়ত সেই বিশেষজ্ঞৰ দল আহিলেও বানপানীৰ প্ৰকৃত ভয়াৱহতা অনুভৱ কৰিব নোৱাৰিব আৰু বান, গৰাখহনীয়া সমস্যাৰ সঠিক মূল্যায়ন নহ'ব।

কাৰ্যনিৰ্বাহক সভাই ৰাজ্যখনত বানপানী আৰু গৰাখহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়ত দুৰ্গতজনৰ কাষত থিয় দি তেওঁলোকক পাৰ্যমানে সহায়-সহযোগ আগবঢ়োৱা বুথ, মণ্ডল, ব্লক, জিলা আৰু প্ৰদেশ কংগ্ৰেছৰ নেতা-কৰ্মীসকলৰ ভূমিকাৰো শলাগ লয় আৰু সময় মতে উপযুক্ত নীতি-নিৰ্দেশনা তথা দিহা-পৰামৰ্শৰে কংগ্ৰেছ নেতা-কৰ্মীসকলক দুৰ্গতজনৰ কাষত থিয় দিবলৈ, উদ্ধাৰ আৰু সাহাৰ্য অভিযানত সক্ৰিয়ভাৱে জপিয়াই পৰিবলৈ তথা এই ক্ষেত্ৰত স্থানীয় প্ৰশাসনক সহযোগ কৰিবলৈ অনুপ্ৰাণিত কৰাৰ বাবে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাদেৱক অভিনন্দন জনায়। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতা-কৰ্মীসকলে তিনিটা ভাগত বিভক্ত হৈ বান পৰিস্থিতিৰ বুজ লৈছিল। ইয়াৰে উত্তৰ আৰু মধ্য অসমৰ বান পৰিস্থিতিৰ বুজ লোৱা গোটটোক নেতৃত্ব দিছিল প্ৰাক্তন মন্ত্ৰী, তথা বৰ্তমানৰ বিধায়ক ৰকিবুল হুছেইন ডাঙৰীয়াই, উজনি অসমৰ

বান পৰিস্থিতিৰ বুজ লোৱা গোটটোক নেতৃত্ব দিছিল কংগ্ৰেছ বিধায়িনী দলৰ দলপতি, বিধায়ক দেৱব্ৰত শইকীয়াদেৱে আৰু নামনি অসমৰ বান পৰিস্থিতিৰ বুজ লোৱা গোটটোৰ নেতৃত্ব দিছিল প্ৰদেশ কংগ্ৰেছৰ তদানীন্তন ভাৰপ্ৰাপ্ত সভাপতি, ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰা ডাঙৰীয়াই। বান পৰিস্থিতি আৰু বানপানীৰ পিছৰ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে নিম্ন উল্লিখিত পদক্ষেপসমূহ গ্ৰহণ কৰিবলৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক আহ্বান জনাইছে কাৰ্যনিৰ্বাহক সভাই।

ক) এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ অধীনত অসমে পাবলগীয়া অনাদায় ধনৰাশি অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিয়ক।

খ) অসমৰ বান আৰু গৰাখহনীয়াৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক।

গ) মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ লগতে খহনীয়া প্ৰতিৰোধী প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰ্যাপ্ত পুঁজিৰ যোগান ধৰক।

ঘ) খালী হৈ থকা সকলো পদ অতি শীঘ্ৰে পূৰণ কৰি কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ডক পুনৰ উজ্জীৱিত কৰাৰ ব্যৱস্থা কৰক আৰু অধিক সক্ৰিয় কৰি তোলক।

ঙ) গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক পৰ্যাপ্ত পৰিমাণৰ সাহাৰ্য সামগ্ৰীৰ যোগান ধৰাৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰক।

চ) ক্ষতিগ্ৰস্ত খেতিয়কসকলক বিনামূলীয়াকৈ বীজ, সাৰ আদি যোগান ধৰাৰ লগতে ট্ৰেক্টৰেৰে হাল বোৱাৰ বাবে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰক।

ছ) বানপানীৰ পিছত হোৱা ৰোগসমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে অসম চৰকাৰে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰক।

জ) বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাট-পথ, দলং, কালভাৰ্ট, মথাউৰি আদিৰ মেৰামতিৰ কাম যুদ্ধকালীনভাৱে সম্পন্ন কৰাৰ পদক্ষেপ গ্ৰহণ কৰক অসম চৰকাৰে।